## ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ ৭৫ বছৰ

# শ্বিলঙৰ পৰা উলিওৱা কাৰ ৰেলী গোৱালপাৰা মহাবিদ্যালয়ত উপস্থিত

প্ৰতিদিন বিশেষ সেৱা, গোৱালপাৰা, ২৪ নৱেম্বৰ ঃ ভাৰত চৰকাৰৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ অধীনস্থ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী চমুকৈ এন চি চিৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে এন চি চিৰ উত্তৰ-পূব মণ্ডলে যোৱা ৬ নৱেম্বৰত শ্বিলঙৰ পৰা উলিওৱা কাৰ ৰেলী আজি গোৱালপাৰা মহাবিদ্যালয়ত উপস্থিত হয়। উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰাজ্য পৰিভ্ৰমণৰ উদ্দেশ্যে এন চি চিৰ উত্তৰ-পূব মণ্ডলৰ অতিৰিক্ত সঞ্চালকপ্ৰধান মেজৰ জেনেৰেল গগন দ্বীপৰ নেতৃত্বত উলিওৱা এন চি চিৰ উত্তৰ-পূৰ্বাঞ্চল কাৰ ৰেলী গোৱালপাৰা মহাবিদ্যালয়ত উপস্থিত হোৱাৰ লগে লগে ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কেডেটসকলে বিপুল আদৰণি জনায়। এই উপলক্ষে মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত এক অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে মেজৰ জেনেৰেল গগন দ্বীপক সম্বৰ্ধনা জনোৱাৰ লগতে মহাবিদ্যালয়খনৰ এন চি চিৰ কেডেটসকলে সাংস্কৃতিক কাৰ্যসূচী প্ৰদৰ্শন কৰে। মেজৰ জেনেৰেল গগন দ্বীপে কেডেটসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ অভাৱ-অভিযোগৰ বুজ লয়। এন চি চিৰ মূল মন্ত্ৰ অনুশাসন আৰু একতা সদায় কেডেটসকলক তেওঁ মনত ৰাখিবলৈ আহ্বান জনায়।